Regional News Unit
All India Radio, Guwahati
0000000000

**Date :** 20-09-2024 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*

## ***<u>Headlines</u>***

## *Headlines*

১। মহাৰাষ্ট্ৰৰ ৱৰ্ধাত আজি অনুষ্ঠিত ৰাষ্ট্ৰীয় পি এম বিশ্বকৰ্মা কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ। অসমতো দুখন জিলাত এই অনুষ্ঠানৰ আয়োজন।

২। মোদী চৰকাৰৰ ১০০ দিন পূৰ্ণ হোৱা উপলক্ষে দেশৰ আন্তঃগাঁথনি উন্নয়ন ত্বৰান্বিত কৰাত গুৰুত্ব আৰোপ।

৩। এদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয় ড'নাৰ ৰাজ্যমন্ত্ৰী ড০ সুকান্ত মজুমদাৰৰ গুৱাহাটী ভ্ৰমণ।

৪। যশস্বী কণ্ঠশিল্পী জয়ন্ত হাজৰিকাৰ ৮১ সংখ্যক ওপজা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কেইবাটাও অনুষ্ঠানৰ আয়োজন।

*আৰু*

৫। বাংলাদেশৰ বিৰুদ্ধে আজি ভাৰতৰ প্ৰথমখন টেষ্টৰ দ্বিতীয়দিনা ছয় উইকেটৰ বিনিময়ত ৩৩৯ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ ৱৰ্ধা ভ্ৰমণ কৰিব। পি এম বিশ্বকৰ্মা আঁচনিৰ এবছৰৰ অগ্ৰগতি উপলক্ষে ৰাষ্ট্ৰীয় 'পি এম বিশ্বকৰ্মা' কাৰ্যসূচীত প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰিব। কাৰ্যসূচীৰ সময়ত প্ৰধানমন্ত্ৰী মোডীয়ে প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ হিতাধিকাৰীসকলক প্ৰমাণ পত্ৰ আৰু ঋণ মোকলাই দিব। এই আঁচনিৰ অধীনত শিল্পীসকলক দিয়া প্ৰতিশ্ৰুতিৰ প্ৰতীক হিচাপে তেওঁ পি এম বিশ্বকৰ্মাৰ অধীনত ১৮টা খণ্ডৰ ১৮জন হিতাধিকাৰীক ঋণ প্ৰদান কৰিব। তেওঁলোকে সমাজলৈ আগবঢ়োৱা অৱদানৰ প্ৰতি শ্ৰদ্ধা জনাই শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ অধীনত এবছৰৰ অগ্ৰগতি উপলক্ষে উৎসৰ্গিত এটা স্মাৰক ডাকটিকটো মুকলি কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে মহাৰাষ্ট্ৰৰ অমৰাৱতীত পি এম মেগা ইন্টিগ্ৰেটেড টেক্সটাইল ৰিজিঅ'নছ এণ্ড এপাৰেল পি এম মিত্ৰ পাৰ্কৰ আধাৰশিলা স্থাপন কৰিব। ১০০০ একৰ ভূমিত মহাৰাষ্ট্ৰ ঔদ্যোগিক উন্নয়ন নিগমে এই উদ্যানখন গঢ়ি তুলিছে । ভাৰত চৰকাৰে বস্ত্ৰ উদ্যোগৰ বাবে ৭ খন পি এম মিত্ৰ উদ্যান স্থাপনৰ অনুমোদন দিছিল। ভাৰতক বস্ত্ৰ উৎপাদন আৰু ৰপ্তানিৰ ক্ষেত্ৰত বিশ্বব্যাপী কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত পি এম মিত্ৰ উদ্যান এক বৃহৎ পদক্ষেপ হিচাপে পৰিলক্ষিত হৈছে। ই বিশ্বমানৰ ঔদ্যোগিক আন্তঃগাঁথনি সৃষ্টি কৰাত সহায় কৰিব যিয়ে প্ৰত্যক্ষ বিদেশী বিনিয়োগকে ধৰি বৃহৎ পৰিসৰত বিনিয়োগকাৰীক আকৰ্ষণ কৰিব আৰু খণ্ডটোৰ ভিতৰত উদ্ভাৱন আৰু নিয়োগ সৃষ্টিত সহায় কৰিব। প্ৰধানমন্ত্ৰী মোডীয়ে মহাৰাষ্ট্ৰ চৰকাৰৰ "আচাৰ্য চাণক্য দক্ষতা বিকাশ কেন্দ্ৰ" আঁচনিও মুকলি কৰিব। এই আঁচনিৰ অধীনত ১৫ৰ পৰা ৪৫ বছৰ বয়সৰ যুৱক-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে ৰাজ্যখনৰ প্ৰখ্যাত মহাবিদ্যালয়সমূহত দক্ষতা বিকাশ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব, যাৰ ফলত তেওঁলোকে স্বাৱলম্বী হ'ব পাৰিব আৰু বিভিন্ন কৰ্মসংস্থাপনৰ সুবিধা লাভ কৰিব।ৰাজ্যখনৰ প্ৰায় ডেৰ লাখ যুৱক যুৱতীয়ে প্ৰতি বছৰে বিনামূলীয়া দক্ষতা বিকাশৰ প্ৰশিক্ষণ লাভ

কৰিব। শ্ৰী মোদীয়ে "পুন্যাশ্বলক অহিল্যদেৱী হোলকাৰ মহিলা ষ্টাৰ্টআপ আঁচনি"ও মুকলি কৰিব। এই আঁচনিৰ অধীনত মহাৰাষ্ট্ৰৰ মহিলা নেতৃত্বাধীন ষ্টাৰ্টআপক প্ৰাৰম্ভিক পৰ্যায়ত ২৫ লাখ টকা পৰ্যন্ত আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। এই আঁচনিৰ অধীনত ২৫ শতাংশ হিতাধিকাৰী পিছপৰা শ্ৰেণী আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ মহিলাৰ বাবে সংৰক্ষিত হ'ব। এই পদক্ষেপে মহিলা নেতৃত্বাধীন ষ্টাৰ্টআপসমূহক স্বাৱলম্বী হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।

oooooo

অসমতো দুখন জিলাত ৰাষ্ট্ৰীয় পি এম বিশ্বকৰ্মা কাৰ্যসূচীত আয়োজন কৰা হৈছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ বিপণন ক্ষেত্ৰত সাংসদ বিজুলী কলিতা মেধিয়ে পি এম বিশ্বকৰ্মা কাৰ্যসূচীত অংশ ল'ব। নগাঁৱৰ পানীগাঁৱত মন্ত্ৰী পীযুষ হাজৰিকাই এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব। লগতে পি এম বিশ্বকৰ্মা কাৰ্যসূচী দেশৰ ৫০ টা প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত হ'ব। অসমতো দুটা প্ৰশিক্ষণ কেন্দ্ৰত কাৰ্যসূচী অনুষ্ঠিত হ'ব।

oooooo

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ ১০০ দিন উপলক্ষে চৰকাৰে নতুন যুগৰ আন্তঃগাঁথনিৰে যোগাযোগ আৰু উন্নয়নত অধিক গুৰুত্ব দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে ভাৰতত আন্তঃগাঁথনি উন্নয়ন ত্বৰান্বিত হোৱাৰ লগে লগে নিয়োগ বৃদ্ধি পাইছে। অনাগত সময়ত নতুন বিনিয়োগৰ লগে লগে এই সুযোগ সমূহ আৰু অধিক সম্প্ৰসাৰিত হোৱাৰ আশা প্ৰকাশ কৰা হৈছে। দেশত মুঠ ২৬ হাজাৰ ৬০০ কোটি টকাৰ ৮টা নতুন ৰে'লপথ প্ৰকল্পই একাধিক ৰাজ্যত ৯০০ কিলোমিটাৰ ৰে'ল নেটৱৰ্ক সম্প্ৰসাৰণ কৰিব। ২৮ হাজাৰ ৬০০ কোটি টকা বিনিয়োগেৰে ১২ টা উদ্যোগিক ন'ডে ভাৰতৰ বিশ্বব্যাপী উৎপাদন কেন্দ্ৰ হোৱাৰ দিশত যাত্ৰা ত্বৰান্বিত কৰিবলৈ চৰকাৰ সাজু হৈছে। পূৰ্বৰ ঋণ সফলভাৱে পৰিশোধ কৰা ব্যৱসায়ীসকলৰ বাবে মুদ্ৰা, ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখলৈ দুগুণ বৃদ্ধি কৰা হৈছে। ৰাজহুৱা-ব্যক্তিগত অংশীদাৰীত্ব পদ্ধতিত বিকশিত ই-কমাৰ্চ ৰপ্তানি হাবসমূহে এম এছ এম আৰু পৰম্পৰাগত শিল্পীসকলক আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰৱেশ কৰাত সহায় কৰিব বুলি উল্লেখ কৰে। পথ, ৰে'ল, বন্দৰ আৰু বিমান পথ সংযোগ আৰু অৰ্থনৈতিক বিকাশৰ বাবে ৩ লাখ কোটি টকাৰ আন্তঃগাঁথনিৰ প্ৰকল্প ধাৰ্য্য কৰা হৈছে। মহাৰাষ্ট্ৰৰ বাধৱন বন্দৰৰ আধাৰশিলা স্থাপন কৰা হৈছে। এই প্ৰকল্পটো ৭৬ হাজাৰ কোটি টকাৰে নিৰ্মিত সকলো সুবিধা সম্পন্ন বিশ্বৰ শীৰ্ষ ১০ টা বন্দৰৰ অন্যতম হিচাপে সাজু কৰি তোলা হ'ব বুলিও উল্লেখ কৰে। ৫০ হাজাৰ ৬০০ কোটি টকাৰ ৮ টা ৰাষ্ট্ৰীয় তীব্ৰ গতিত পথ ক'ৰিডৰেৰে দেশৰ পথ যোগাযোগত ৯০০ কিলোমিটাৰতকৈও অধিক সম্প্ৰসাৰণৰ লক্ষ্য বান্ধি লোৱা হৈছে। শ্বিনখুন লা সুৰংগ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। এবছৰৰ ভিতৰত এই সুৰংগৰ কাম সম্পূৰ্ণ কৰা হ'ব। কাম সম্পূৰ্ণ হ'লেই এই সুৰংগটো বিশ্বৰ সৰ্বোচ্চ সুৰংগ হিচাপে স্বীকৃত হ'ব। বেংগালুৰুত ৩০ হাজাৰ ৭০০ কোটি টকাৰ মেট্ৰ' প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। উদ্ভাৱন বৃদ্ধি কৰিবলৈ আৰু ভাৰতত ষ্টাৰ্টআপ ইক' চিষ্টেম শক্তিশালী কৰিবলৈ এঞ্জেল কৰ বিলুপ্তি কৰা হৈছে। বিদেশী কোম্পানীসমূহৰ বাবে ক'পৰেট কৰৰ হাৰ ৪০ শতাংশৰ পৰা ৩৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। মহাকাশ অধ্যয়ন প্ৰকল্পৰ বাবে ১০০ কোটি টকাৰ ভেঞ্চাৰ কেপিটেল ফাণ্ড আৰম্ভ কৰা হৈছে।

ooooooo

কেন্দ্ৰীয় ড'নাৰ ৰাজ্যমন্ত্ৰী ড০ সুকান্ত মজুমদাৰে আজি এদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীলৈ আহিব। তেওঁ গুৱাহাটীত হ'বলগীয়া কেইবাটাও অনুষ্ঠানত অংশ ল'ব। পুৱা ১০ বজাত তেওঁ চাংসাৰিস্থিত নাইপাৰত চেণ্ট্ৰেল এনিমেল ফেচিলিটী আৰু ইনভাইট্ৰো ড্ৰাগ টেষ্টিং ফেচিলিটী মুকলি কৰিব। বিয়লি চাৰে তিনি বজাত মন্ত্ৰীগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ব্ৰহ্মপুত্ৰ অধ্যয়ন কেন্দ্ৰৰ এটা ভৱন মুকলি কৰিব।

oooooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কেইবাটাও কাৰ্যসূচীৰে চিৰাং জিলা ভ্ৰমণ কৰিব। আজি পুৱা ধেমাজিৰ পৰা ৰেলেৰে ভ্ৰমণ কৰা মন্ত্ৰীগৰাকীয়ে বঙাইগাঁও শোধনাগাৰত উপস্থিত হোৱাৰ পাছত জিলাখনৰ বামুণগাঁও বৈৰাঝাৰত সেতু মুকলি কৰিব। ইয়াৰ পাছতে তেওঁ আমগুৰিত এখন আই-টি-আই মুকলি কৰাৰ লগতে আমলাইগুৰিত এখন ইকো-টুৰিজিম পাৰ্ক মুকলি কৰাৰ লগতে এটা অতিথিশালাও উদ্বোধন কৰিব। বিয়লি তেওঁ জিলাখনৰ বেংতল গেটস্থিত চিৰাং জিলা ট্ৰাইবেল সংঘৰ নৱনিৰ্মিত কাৰ্যালয় উদ্বোধন কৰাৰ লগতে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত শিক্ষা বিভাগৰ এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰি আবেলি নিউ বঙাইগাঁৱৰ পৰা গুৱাহাটীলৈ ৰেলযোগে যাত্ৰা কৰিব।

oooooooo

যশস্বী কণ্ঠশিল্পী জয়ন্ত হাজৰিকাৰ আজি ৮১ সংখ্যক ওপজা দিন। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি কেইবাটাও অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সুৰ বাহিনীৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত দৰদী কণ্ঠশিল্পীগৰাকীৰ ওপজা দিনৰ লগত সংগতি ৰাখি মোৰ মন চাতকৰ কণ্ঠ শীৰ্ষক যন্ত্ৰ সংগীতৰ মুৰ্চ্ছনাৰে এক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠান আজি সন্ধিয়া ৬ বজাত কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। পুৱা ১০ বজাত চানমাৰিস্থিত জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত স্মৃতিতৰ্পন অনুষ্ঠান অনুষ্ঠিত হ'ব। দুয়োটা অনুষ্ঠানতে সুৰ বাহিনীৰ হৈ মনীষা হাজৰিকাই সকলোৰে উপস্থিতি কামনা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যশস্বী শিল্পী জয়ন্ত হাজৰিকাৰ জন্মবাৰ্ষিকীত শিল্পীগৰাকীলৈ অসমবাসীৰ হৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে।

০০০০০০

অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত ভূমি ৰাজহ আদায় ব্যৱস্থাৰ সৰলীকৰণ পদক্ষেপ হিচাপে ই-খাজনা ব্যৱস্থাৰ সুবিধা আগবঢ়োৱা হৈছে। এই সন্দৰ্ভত নাগৰিকসকলে কিউ আৰ ক'ড স্কেন কৰি বা ই-খাজনা পোৰ্টেল basundhara.assam.gov.in/e-khazana লৈ গৈ সহজেই ভূমি ৰাজহ পৰিশোধ কৰিব পাৰিব। সহজ, সুৰক্ষিত আৰু তাৎক্ষণিক ভূমি ৰাজহ আদায় দিয়াৰ বাবে পট্টাদাৰসকলক ক্ষমতা প্ৰদানৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০০০

হস্ততাঁত শিল্পৰে অসমৰ শিপিনীসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ ক্ষেত্ৰত অসম চৰকাৰে স্বনিৰ্ভৰ নাৰী নামৰ এখন অভিলাষী আঁচনি মুকলি কৰিছে। ইয়াৰ অধীনত প্ৰথম পৰ্যায়ত ক্ৰয় কৰা বস্ত্ৰ সামগ্ৰীসমূহ বৰ্তমান আৰ্টফেড, প্ৰাগজ্যোতিকা, বিভাগীয় জিলা কাৰ্যালয়ত ২০ শতাংশ ৰেহাই মূল্যত উপলব্ধ। এই আঁচনিৰ অধীনত ইতিমধ্যে পঞ্জীভুক্ত শিপিনীসকলৰ পুনৰীক্ষণৰ কাম আৰম্ভ হৈছে তথা ব্যৱসায়ী উদ্যোগীসকলৰ পঞ্জীয়নৰ বাবে প্ৰয়োজনীয় নথিৰ কিছু সালসলনিৰে সময়সীমা ৩০ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰা হৈছে। আগ্ৰহীসকলে বিতংভাৱে জানিবলৈ তথা পঞ্জীয়ন কৰিবলৈ swanirbharnaari.assam.gov.in-ত চাব পাৰিব।

০০০০০০

বিৰোধী ঐক্যমঞ্চ, অসমে আজি স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ কৰাৰ দাবীৰে গুৱাহাটীৰ বিজুলী ভৱন ঘেৰাও কৰিব। এই অনুষ্ঠানত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, ৰাজ্যসভাৰ সাংসদ অজিত ভূঞা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু বিৰোধীৰ অন্য নেতাসকলে অংশগ্ৰহণ কৰিব।

০০০০০০০০

মৰিগাওঁ জিলা সাহিত্য সভাৰ লগতে মৰিগাওঁ শতদল শাখা আৰু বাচনাঘাট শতদল শাখাই অসমত ৰাজ্যভাষা আইন ১৯৬০ প্ৰয়োগৰ দাবীত জিলা আয়ুক্তৰ জৰিয়তে কালি মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। অসম সাহিত্য সভাৰ আহ্বানমৰ্মে মৰিগাও জিলা সাহিত্য সভাৰ উদ্যোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্মাৰকপত্ৰ গ্ৰহণ কৰি জিলাখনৰ আয়ুক্তই জিলাখনৰ চৰকাৰী কাৰ্যালয়সমূহত ৰাজ্যভাষা অসমীয়া ব্যৱহাৰৰ ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অসমীয়া ভাষাৰ সাধাৰণ ঘোষণা তথা শিশু আৰু মহিলা শাখাৰ লগতে হিন্দী, নেপালী, কাৰ্বি, বড়ো, চাহ জনগোষ্ঠীৰ অনুষ্ঠান আৰু পাশ্চাত্য সংগীত শাখাত অংশকালীন ঘোষক-ঘোষিকাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। ২০ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰৰ স্নাতক ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। প্ৰাৰ্থী গুৱাহাটী পৌৰ এলেকাৰ বাসিন্দা হ'ব লাগিব। আগ্ৰহীসকলে আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR GUWAHATI-ৰ পৰা আবেদন প্ৰ-পত্ৰ ডাউনল'ড কৰি অথবা আকাশবাণী গুৱাহাটীৰ সমন্বয় শাখাৰ পৰা আবেদন প্ৰ-পত্ৰ সংগ্ৰহ কৰি যাৱতীয় নথিৰ সৈতে অহা ৪ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। প্ৰাৰ্থীসকলক লিখিত পৰীক্ষা, কণ্ঠস্বৰ পৰীক্ষা আৰু সাক্ষাতকাৰৰ জৰিয়তে নিৰ্বাচন কৰা হ'ব।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ

হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The head of office, Akashvani, Guwahati, Chandmari, Guwahati-৭৮১০০৩ এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

ভাৰতে আজি বাংলাদেশৰ বিৰুদ্ধে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন টেষ্টৰ দ্বিতীয় দিনা কালি ছয় উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩৩৯ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। কালি খেল সামৰণিৰ পৰত ৰবিচন্দ্ৰন অশ্বিনে ১০২ আৰু ৰবীন্দ্ৰ জাডেজাই ৮৬ ৰান কৰি খেলি আছিল। এয়া আছিল অশ্বিনৰ ষষ্ঠটো টেষ্ট শতক। ইয়াৰ পূৰ্বে যশস্বী জয়ছৱালে ৫৬ আৰু ঋষভ পণ্টে ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। বাংলাদেশৰ হৈ হাছান মাহমুদে চাৰিটা উইকেট দখল কৰিছে।

০০০০০০০০

১২ দশমিক ৬-০ লাখ হিতাধিকাৰীৰে অৰুণোদয় ৩.০ শুভাৰম্ভণিৰ বাতৰিটো আমাৰ অসম, নিয়মীয়া বাৰ্তা, দৈনিক অসম আদি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত ৫৫ লাখ ভুৱা ৰেচন কাৰ্ড বাতিলৰ বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সৰ্বকালৰ সৰ্বাধিক হ'ল বাণিজ্যিক ঘাটি, অভিলেখ গঢ়িলে আমদানিৰ পৰিমাণেহে, চৰকাৰী দাবীৰ বিপৰীতে বহিঃবাণিজ্যত উজুতি খাইছে ভাৰতে - এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আগন্তুক ৩-৪ দিনত ৪২ ডিগ্ৰী ছেলচিয়াছলৈ তাপমাত্ৰা বৃদ্ধিৰ সম্ভাৱনাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অনুমান কৰা বাৰ্ষিক ৬ দশমিক ৭ শতাংশ বিকাশৰ হাৰেৰে ভাৰতে ২০৩০-৩১ বিত্তীয় বৰ্ষৰ ভিতৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতিৰ দেশ হোৱাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মহানগৰীৰ পূজা সমিতিলৈ প্ৰশাসনে কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰাৰ লগতে পৰিবেশ অনুকূল সামগ্ৰীৰে প্ৰতিমা নিৰ্মাণ কৰিবলৈ আহ্বান জনাইছে -এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দিল্লীৰ ভাৰত মণ্ডপমৰ পৰা মঙলদৈ সুমিত্ৰা এগ্ৰোটেক ভাৰ্চুৱেলি উদ্বোধন প্ৰধানমন্ত্ৰীৰ শিৰোনামেৰে বাতৰিটো নিয়মীযা বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

Milkfish farming has scope in fish, experts lay stress on enhance fish production infrastructure to act cutdown import বাতৰিটো দ্য আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে মৰিগাঁৱত ধৃত ১০ চাইবাৰ অপৰাধী, পুনৰ হাজাৰ কোটি টকা ঋণ ল'লে অসম চৰকাৰে, অত্যাচাৰ সহিব নোৱাৰি সুৰাপায়ী পুত্ৰত শুৰাপাটিতে হত্যা পিতৃৰ, মুকলি আকাশৰ তলত আছে ট্ৰেডি এফ-এক্সৰে জড়িত বহুকেইজন লোক।

এয়াই আছিল গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

০০০০০০

সমাপ্ত